## গোলকীয় উষ্ণতা বৃদ্ধি ঃ ৰাষ্ট্ৰসংঘৰ 'ৰঙা সংকেত'

ৰাষ্ট্ৰসংঘৰ দায়বদ্ধ আইপিছিছি বা 'আন্তঃচৰকাৰী জলবায়ু পৰিৱৰ্তন মণ্ডলী'য়ে (Intergovernmental Panel on Climate Change; IPCC) গোলকীয় জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় ষষ্ঠ প্ৰতিবেদনৰ এটা খণ্ডৰ খচৰা প্ৰকাশ কৰিছে। বিশ্বৰ ২৩৪ গৰাকী নিবন্ধকে প্ৰথমবাৰৰ বাবে অনলাইন যোগে ১৮৬ ঘণ্টা মিলিত হৈ ৩০০০ পৃষ্ঠাৰো



*গোলকীয় উষ্ণতা বৃদ্ধি*

অধিক এই প্ৰতিবেদন প্ৰস্তুত কৰিছে। 'মানৱ জাতিৰ বাবে ৰঙা সংকেত' ('a code red for humanity') নামে অভিহিত এই প্ৰতিবেদনত বিশ্ব জলবায়ুৰ শেহতীয়া পৰিৱৰ্তন বিগত বহু হাজাৰ বছৰৰ তুলনাত বহুবিস্তৃত, অভূতপূৰ্ব, আৰু অধিক দ্ৰুত আৰু প্ৰবল বুলি কোৱা হৈছে।

মানুহৰ বিবেচনাহীন কামকাজৰ ফলতেই বৰ্তমান জলবায়ুৰ এই অভূতপূৰ্ব পৰিৱৰ্তন ঘটিছে। মানুহে প্ৰাক-ঔদ্যোগিক কালৰে পৰা কৰি থকা কাঠ, কয়লা, তেল আৰু প্ৰাকৃতিক গেছ আদি ইন্ধনৰ দহন, আৰু বনাঞ্চল ধ্বংস আদিৰ ফলত বায়ুমণ্ডলৰ উষ্ণতাৰ বৃদ্ধি ঘটি আছে। ১৯শ শতিকাৰ পৰা গোলকীয় উষ্ণতা ১.১ ডিগ্ৰি চেলছিয়াছ বৃদ্ধি পাইছে। এই বৃদ্ধি এহাজাৰ বছৰৰ ভিতৰত ঘটাৰ পৰিমাণৰ সৰ্বোচ্চ, ইয়াৰ সামান্য অংশহে প্ৰাকৃতিক কাৰণত ঘটিছে।

গোলকীয় উষ্মীভৱনৰ মূল কাৰণ উপৰিউক্ত জীৱাশ্ম ইন্ধনৰ দহনৰ ফলত বায়ুমণ্ডলত জমা হোৱা কাৰ্বন ডাইঅক্সাইড, মিথেন, নাইট্ৰাছ অক্সাইড প্ৰমুখ্যে সেউজগৃহ গেছবোৰৰ পৰিমাণ বৃদ্ধি। প্ৰতিবেদন অনুসৰি, ২০১৯ চনৰ কাৰ্বন ডাইঅক্সাইডৰ মাত্ৰা কমেও দুই নিযুত বছৰৰ মাত্ৰাতকৈ বেছি, মিথেনৰ আৰু নাইট্ৰাছ অক্সাইডৰ মাত্ৰা কমেও ৮০০,০০০ বছৰৰ মাত্ৰাতকৈ বেছি। বৰ্তমান জোঁৰ পুৰি হাত পোৱাৰ সময়ত সেউজগৃহ গেছৰ নিৰ্গমন হ্ৰাস কৰিলেও অহা ২০৩০ চনৰ ভিতৰত গোলকীয় উষ্ণতা ১.৫ ডিগ্ৰি চেলছিয়াছ অতিক্ৰম কৰিব। কিন্তু সেউজগৃহ গেছৰ নিৰ্গমন এতিয়াই নিয়ন্ত্ৰণলৈ আনিব পাৰিলে উষ্ণতা বৃদ্ধি ১.৪ ডিগ্ৰি চেলছিয়াছলৈ নামি আহিব পাৰে।

গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে বৰফ গলাৰ ফলত সমুদ্ৰপৃষ্ঠৰ উচ্চতা ১৯০০ চনৰ পৰা ২০ ছেমি. বাঢ়িছে, আৰু বিগত দশকত সমুদ্ৰপৃষ্ঠৰ বৃদ্ধি প্ৰায় তিনিগুণ হৈছে। গোলকীয় উষ্ণতা ২ ডিগ্ৰি চেলছিয়াছ হ'লে চলিত একৈছ শতিকাতে সাগৰৰ জলপৃষ্ঠ আধা মিটাৰ বৃদ্ধি পাব। জলপৃষ্ঠ এইদৰে বাঢ়ি গ'লে ২৩০০ চনৰ ভিতৰত ইয়াৰ মান দুই মিটাৰ হ'বগৈ।

বৰ্তমান সেউজগৃহ গেছ অৱশোষণ কৰা অৰণ্য, মাটি আৰু মহাসাগৰৰ দৰে প্ৰাকৃতিক মিত্ৰপক্ষ (natural allies) দুৰ্বল হৈ পৰিছে। তথ্য অনুসৰি, ১৯৬০ চনৰ পৰা অৰণ্য, মাটি আৰু মহাসাগৰে মানৱসৃষ্ট কাৰ্বন ডাইঅক্সাইডৰ ৫৬ শতাংশ অৱশোষণ কৰিছে। কিন্তু সেই পৰিমাণৰ প্ৰায় আধাখিনি নিৰ্গমন ইতিমধ্যে বৃদ্ধি পাইছে। গোলকীয় উত্তাপনৰ বিৰুদ্ধে আমাৰ যুঁজখনৰ এই মিত্ৰপক্ষ, যাক কাৰ্বন-বৰ্জনাধাৰ (carbon sinks) বোলা হয়, ক্ৰমে সংপৃক্ত হৈ পৰিছে, আৰু এই শতিকা আগবঢ়াৰ লগে লগে মানৱসৃষ্ট কাৰ্বনৰ বোজা ব'ব নোৱৰা হৈ পৰিছে।

প্ৰকৃতিৰ সহায়ৰ অবিহনে এই গ্ৰহটো অধিক উত্তপ্ত হৈ বাসৰ অনুপযোগী হৈ পৰিব।

আইপিছিছিৰ প্ৰতিবেদনত পৰামৰ্শ আগবঢ়োৱা হৈছে—গোলকীয় উত্তাপন হ্ৰাস কৰিবলৈ 'ঋণাত্মক নিৰ্গমন'ৰ ('negative emissions') প্ৰয়োজন। আমি বায়ুমণ্ডলৰ পৰা কাৰ্বনখিনি শোষণ কৰি বা জব্দীকৃত কৰি (sequestering) গ্ৰহটোক চেঁচা কৰিব পাৰোঁ। এই সুফলদায়ক পৰামৰ্শটো নতুন নহয় যদিও ইয়াৰ বিষয়ে বিস্তৃত অধ্যয়ন আৰু প্ৰচেষ্টা কৰা হোৱা নাই, আৰু এই বিষয়ৰ প্ৰযুক্তিও পূৰ্ণাংগ হৈ উঠা নাই। প্ৰতিবেদনত এই অৰ্ধশতিকাতেই পৰামৰ্শটো কাৰ্যকৰী কৰিবলৈ কোৱা হৈছে যদিও কেনেকৈ কৰা হ'ব তাৰ উল্লেখ কৰা হোৱা নাই। আনহাতে বহুতো বিজ্ঞানী এই প্ৰচেষ্টা কাৰ্যকৰী কৰাৰ সন্দৰ্ভত সন্দেহবাদী।

## বিখ্যাত বিজ্ঞানী, বিচিত্ৰ কাহিনী

### ডাৰউইনে কিয় মাৰ্ক্সক 'ডাছ কেপিটেল'খন তেওঁৰ নামত উছৰ্গা কৰিবলৈ দিয়া নাছিল

চাৰ্লছ ডাৰউইনৰ (Charles Darwin, ১৮০৯–১৮৮২) 'অন দা অ'ৰিজিন অৱ স্পেছিছ' (On the Origin of Species) নামৰ যুগান্তকাৰী গ্ৰন্থখন প্ৰকাশ পাইছিল ১৮৫৯ চনৰ ২৪ নৱেম্বৰত, আৰু কাৰ্ল মাৰ্ক্সৰ (Karl Heinrich Marx, ১৮১৮–১৮৮৩) বৈপ্লৱিক গ্ৰন্থ 'ডাছ কেপিটেল' (Das Kapital) প্ৰকাশ হৈছিল ১৮৬৭ চনৰ ১৪ ছেপ্টেম্বৰ তাৰিখে। ডাৰউইনৰ গ্ৰন্থখন কাৰ্ল মাৰ্ক্সে কেইবাবাৰো পঢ়িছিল, আৰু ডাৰউইনে আগবঢ়োৱা জীৱৰ বিৱৰ্তন তত্ত্বৰ ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁ বন্ধু-বান্ধৱৰ লগতো ডাৰউইনৰ তত্ত্বৰ বিষয়ে আলোচনা কৰিছিল।

মাৰ্ক্সে তেওঁৰ 'ডাছ কেপিটেল' নামৰ গ্ৰন্থখন প্ৰকাশ কৰাৰ আগে আগে ডাৰউইনৰ সৈতে যোগাযোগ কৰি কিতাপখন তেওঁৰ সন্মানাৰ্থে উছৰ্গা কৰিবলৈ অনুমতি বিচাৰি অনুৰোধ জনাইছিল। ডাৰউইনে সেই অনুৰোধ ৰক্ষা কৰিব নোৱাৰিব বুলি উত্তৰ দিছিল।



*চাৰ্লছ ডাৰউইন আৰু কাৰ্ল মাৰ্ক্স*

তেওঁ কৈছিল যে গ্ৰন্থখনৰ বিষয়বস্তুৰ বিষয়ে তেওঁৰ কোনো আপত্তি নাই। কিন্তু ইয়াৰ ধৰ্মবিৰোধী কথাই পৰিয়ালৰ কাৰোবাক আঘাত দিব পাৰে। ("... its anti-religious views might cause concern to certain members of his own family.)।

আনহাতে এবাৰ ডাৰউইনে জন জেনাৰ ৱেয়াৰ (John Jenner Weir) নামৰ প্ৰকৃতিবিদ আৰু ব্ৰিটিছ ছিভিল ছাৰ্ভেণ্ট বন্ধু এজনৰ অনুৰোধ পেলাব নোৱাৰি মেকুৰীৰ প্ৰদৰ্শন মেলা (Cat-show) এখনৰ পৃষ্ঠপোষকৰ দায়িত্ব ল'বলগীয়া হৈছিল। তেওঁ সেই ক্ষেত্ৰত বন্ধুজনক সাৱধান কৰি দিছিল, চাব যাতে মানুহে তেওঁ থকাৰ বাবে সেইখন 'নাস্তিক মেকুৰী'ৰ ('atheistic cats') সমাৰোহ বুলি চাবলৈ নহাকৈ নাথাকে।

ঠিকনা ঃ হাটখোলা, বিদ্যাপুৰ, চাৰিআলি-৭৮৪১৭৬, বিশ্বনাথ, অসম। ফোন ঃ ৯৪৩৫১৮৩৮৮৮
ই-মেইল ঃ baruahkd@gmail.com